**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিহাৰৰ পূব চম্পাৰণ জিলাৰ মতিহাৰীত ৭ হাজাৰ ২০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। ভাৰতীয় নৌসেনাই আজি বিশাখাপট্টনমত ভাৰতৰ গভীৰ সমুদ্ৰত চাবমেৰিনৰ পৰা নাবিকক উদ্ধাৰ কৰিব পৰা বিশেষ জাহাজ **নিস্তাৰ** নৌ সেনাত অন্তৰ্ভুক্ত কৰে।

৩। বাংলাদেশৰ গোপালগঞ্জত বাহাল থকা সান্ধ্য আইনৰ সময়সীমা বৃদ্ধি কৰা হৈছে।

৪। পশ্চিমবংগৰ ঝাৰগ্ৰাম জিলাৰ বাঞ্চতালা ৰে'ল ষ্টেচনৰ সমীপত আজি পুৱতি নিশা এখন দ্ৰুতবেগী ৰে'লৰ খুন্দাত দুটা পোৱালিকে ধৰি তিনিটা হাতীৰ মৃত্যু হয়।

আৰু

৫। লাছ ভেগাছত অনুষ্ঠিত দবাৰ ফ্ৰীষ্টাইল গ্ৰেণ্ডশ্লেমৰ চেমিফাইনেলত প্ৰৱেশ কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে গ্ৰেণ্ডমাষ্টাৰ অৰ্জুন এৰিগাইছিয়ে স্থান নিশ্চিত কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিহাৰৰ পূব চম্পাৰণ জিলাৰ মতিহাৰীত ৭ হাজাৰ ২০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত ৰে'ল, পথ, গ্ৰামোন্নয়ন, মীন, বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি খণ্ডৰ প্ৰকল্প আছে। প্ৰধানমন্ত্ৰীয়ে লগতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৰাজেন্দ্ৰ নগৰ, দৰভাংগা, ভগলপুৰ আৰু মতিহাৰী ৰে'ল ষ্টেচনৰ পৰা চাৰিখনকৈ নতুন অমৃত ভাৰত ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। এই ৰে'লকেইখনে ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ চহৰ কেইখনক দেশৰ আন অংশৰ সৈতে সংযুক্ত কৰিব। আজি অনুষ্ঠানত বিহাৰৰ ৰাজ্যপাল আৰিফ মহম্মদ খান, মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিং, ৰাজীৱ ৰঞ্জন সিং, ছিৰাগ পাছোৱান, উপ-মুখ্যমন্ত্ৰীদ্বয় সমৰাজ চৌধৰী আৰু বিজয় কুমাৰ সিনহাৰ লগতে ভালেকেইগৰাকী ৰাজ্যমন্ত্ৰী, সাংসদ আৰু বিধায়ক উপস্থিত থাকে।

শ্ৰী মোদীয়ে আজি মতিহাৰীৰ গান্ধী ময়দানত এখন জনসভাতো ভাষণ দিব। ৰাজ্যখনৰ পথ, আন্তঃগাঁথনি সুদৃঢ়কৰণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীয়ে ৩১৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আৰা বাইপাছক চাৰিটা লেনযুক্ত বাইপাছলৈ উন্নীতকৰণৰ কামৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰী মোদীয়ে আবাস যোজনা গ্ৰামীণৰ ১২ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশৰ অংশ হিচাপে একাংশ হিতাধিকাৰীক ঘৰৰ ছাবি প্ৰদান কৰিব আৰু ৪০ হাজাৰ হিতাধিকাৰীলৈ ১৬০ কোটিৰো অধিক টকা মোকলাই দিব।

ইয়াৰ পাছত পশ্চিমবংগত প্ৰধানমন্ত্ৰীয়ে ৫ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত তেল আৰু গেছ, শক্তি, পথ আৰু ৰে'ল খণ্ডৰ প্ৰকল্প আছে। তেওঁ লগতে এখন জনসভাতো ভাষণ দিব। শ্ৰীমোদীয়ে এই ভ্ৰমণ কালত ট'প্চি আৰু পশ্চিম বৰ্ধমানৰ পাণ্ডুৰেশ্বৰত সেতু ভাৰতম কাৰ্যসূচীৰ অধীনত ৩৮০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা দুখন পথ অভাৰব্ৰীজ মুকলি কৰিব। এই পথ অভাৰব্ৰীজ দুখনে ৰে'লৰে লেভেল ক্ৰছিঙত দুৰ্ঘটনা ৰোধ কৰাৰ লগতে যাত্ৰীৰ আহ-যাহত সহায় কৰিব।

ooooooooo

ভাৰতীয় নৌসেনাই আজি বিশাখাপট্টনমত ভাৰতৰ গভীৰ সমুদ্ৰত চাবমেৰিনৰ পৰা নাবিকক উদ্ধাৰ কৰিব পৰা বিশেষ জাহাজ **নিস্তাৰ** নৌ সেনাত অন্তৰ্ভুক্ত কৰে। এই সমাৰোহত প্ৰতিৰক্ষা ৰাজ্য মন্ত্ৰী সঞ্জয় সেঠ, নৌ সেনাৰ মুৰববী এডমিৰেল ডিনেশ কে ত্ৰিপাঠী আৰু অন্যান্য জ্যেষ্ঠ প্ৰতিনিধিসকল উপস্থিত আছিল। হিন্দুস্তান চিপিয়াৰ্ড লিমিটেডে নিৰ্মাণ কৰা নিস্তাৰ হৈছে ভাৰতৰ থলুৱা প্ৰযুক্তিৰে নিৰ্মিত প্ৰথখন জাহাজ। এই জাহাজৰ জৰিয়তে ভাৰতে আত্ম নিৰ্ভৰতাৰ দিশেষ আৰু এখোজ আগবঢ়িছে।

ooooooooo

বাংলাদেশৰ গোপালগঞ্জত বাহাল থকা সান্ধ্য আইনৰ সময়সীমা বৃদ্ধি কৰা হৈছে। আমাৰ ঢাকাৰ সংবাদদাতাই জনোৱা মতে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ গৃহ জিলা গোপালগঞ্জত যোৱা বুধবাৰে নেচনেল ছিটিজেন পাৰ্টীৰ এটা ৰেলীক লৈ আৰক্ষী আৰু আৱামী লীগ তথা ইয়াৰ সহযোগী সংগঠনৰ কৰ্মকৰ্তাসকলৰ মাজত হোৱা সংঘৰ্ষত কমেও ৪ জন লোকৰ মৃত্যু হোৱাৰ লগত ৫০ জনৰো অধিক লোক আহত হৈছিল আৰু ইয়াৰ পাছত জিলাখনত অনিৰ্দিষ্ট কালৰ বাবে সান্ধ্য আইন বলৰৎ কৰা হৈছিল। জিলাখনত আজি একেৰাহে তৃতীয় দিনৰ বাবেও সান্ধ্য আইন বলৰৎ আছে। জিলা কৰ্তৃপক্ষই আজি দিনৰ ১১ বজাৰ পৰা ২ বজালৈ তিনি ঘণ্টাৰ বাবে সান্ধ্য আইন শিথিল কৰি দিছে।

ooooooooo

পশ্চিমবংগৰ ঝাৰগ্ৰাম জিলাৰ বাঞ্চতালা ৰে'ল ষ্টেচনৰ সমীপত আজি পুৱতি নিশা এখন দ্ৰুতবেগী ৰে'লৰ খুন্দাত দুটা পোৱালিকে ধৰি তিনিটা হাতীৰ মৃত্যু হয়। পুৱতি নিশা প্ৰায় তিনিবজাত ১০টা হাতীৰ এটা জাকে ৰে'ল লাইন পাৰ হোৱাৰ সময়তে এই দুৰ্ঘটনা সংঘটিত হয়। জিলা বনবিষয়া উমৰ ইমামে যোৱা নিশা প্ৰায় ১১ বজাত ৰে'ল লাইনৰ ওচৰত হাতীৰ গতি-বিধি প্ৰত্যক্ষ কৰি কৰ্তব্যৰত বন সংমণ্ডল বিষয়াগৰাকীক ৰে'ল কৰ্তৃপক্ষলৈ বাৰ্তা প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু পুৱতি নিশা জনশতাব্দী এক্সপ্ৰেছৰ খুন্দাত হাতীকেইটাৰ মৃত্যু হয় বুলি বিভাগীয় সূত্ৰই প্ৰকাশ কৰিছে।

ooooooooo

পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত কৰা দ্যা ৰেছিষ্টেনছ ফ্ৰণ্ট চমুকৈ টি আৰ এফক বিদেশী সন্ত্ৰাসবাদী গোট আৰু বিশেষভাৱে স্বীকৃত আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী গোট হিচাপে আমেৰিকা যুক্তৰাষ্ট্ৰই ঘোষণা কৰাৰ সিদ্ধান্তৰ ভাৰতে শলাগ লৈছে। পাকিস্তানস্থিত সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ ছদ্ম সংগঠন টি আৰ এফ জম্মু-কাশ্মীৰৰ পেহেলগামৰ বৰ্বৰ আক্ৰমণকে ধৰি বিভিন্ন সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত আছিল। বৈদেশিক

পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে এই সিদ্ধান্তৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰদেশ সচিব মাৰ্কো ৰুবিঅ'ৰ শলাগ লয়। উল্লেখযোগ্য যে, ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰয়োজনীয়তা আৰু সন্ত্ৰাসবাদী আন্তঃগাঁথনি সমূলঞ্চে নিৰ্মূল কৰাৰ ক্ষেত্ৰত নিৰন্তৰ গুৰুত্ব দি আহিছে। ভাৰত সদায় সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতিৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ হৈ আছে।

০০০০০০০০০

ইৰাকৰ অল-কুট চহৰত কালি বিধ্বংসী অগ্নিকাণ্ডত বহুসংখ্যক লোকৰ মৃত্যুৰ লগতে ভালেমান আহত হোৱাৰ ঘটনাত ভাৰতে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে দেশখনৰ এই কঠিন সময়ত ভাৰতৰ জনসাধাৰণ তেওঁলোকৰ সৈতে আছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, অল-কুট চহৰৰ হাইপাৰমাৰ্কেটৰ এখন ৰেষ্টোঁৰাত সূত্ৰপাত হোৱা জুইত কমেও ৫০জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে  ভালেসংখ্যক লোক আহত হয়। অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ বহুসংখ্যক লোকক উদ্ধাৰ কৰে।

০০০০০০০০০

পাঞ্জাবত পাকিস্তানৰ মাদকদ্ৰব্য সৰবৰাহকাৰীয়ে বিগত কিছু দিনত গতিবিধি তীব্ৰ কৰি তুলিছে। বি এছ এফৰ সূত্ৰৰ উদ্ধৃতিৰে  আকাশবাণী জলন্ধৰৰ সংবাদদাতাই জনোৱা মতে সীমান্ত সুৰক্ষা বাহিনীয়ে বিগত দুদিনত অমৃতসৰ আৰু ফিৰোজপুৰত অভিযান চলাই ছখন ড্ৰোণ নিষ্ক্ৰিয় কৰাৰ লগতে ১০ কিলোগ্ৰামৰো অধিক হেৰ'ইন জব্দ কৰিছে। বি এছ এফৰ জোৱানে কালি নিশা আৰু আজি পুৱা অমৃতসৰ সীমান্তত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰা পাকিস্তানৰ ড্ৰোণসমূহ নিষ্ক্ৰিয় কৰি ঘটনাস্থলীৰ পৰা দুই কিলোগ্ৰামৰো অধিক হে'ৰইন জব্দ কৰে। আনহাতে ফিৰোজপুৰ সীমান্তত চলোৱা অভিযানত বি এছ এফে ৮ কিলোগ্ৰামৰো অধিক মাদকদ্ৰব্য ভৰ্তি ১৫ টা হেৰ'ইনৰ পেকেট জব্দ কৰে।

০০০০০০০০০

গাজা চহৰৰ এটা পবিত্ৰ গীৰ্জাত ইজৰাইলৰ টেংক আক্ৰমণৰ ফলত তিনি গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে আন ১০ গৰাকী লোক আগত হয়। এই ঘটনাত ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যেহুৱে গভীৰ শোক প্ৰকাশ কৰিছে। গাজা চহৰৰ কেথলিক ধৰ্মী লোকসকলৰ একমাত্ৰ উপাসনা স্থলী এই গীৰ্জাত হোৱা আক্ৰমণৰ বাবে ইজৰাইল আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিৰূপ সমালোচনাৰ সন্মুখীন হৈছে। প্ৰধানমন্ত্ৰী নেতান্যেহুৱে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পক ঘটনাস্থলীত থকা এটা বিপথগামী ট্ৰেংকৰ ফলতেই এই দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হৈছে বুলি ফোনযোগে জানিবলৈ দিয়ে। ইয়ালে এই আক্ৰমণৰ ঘটনাত ভেটিকান ছিটিৰ পোপ চতুৰ্দশ লিঅ'ই শোক প্ৰকাশ কৰে।

০০০০০০০০০

লাছ্ ভেগাছত অনুষ্ঠিত দবাৰ ফ্ৰীষ্টাইল গ্ৰেণ্ডশ্লেমৰ চেমিফাইনেলত প্ৰৱেশ কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে  গ্ৰেণ্ডমাষ্টাৰ অৰ্জুন এৰিগাইছিয়ে স্থান নিশ্চিত কৰিছে। ২১ বছৰীয়া খেলুৱৈগৰাকীয়ে কোৱাৰ্টাৰ ফাইনেলত উজবেকিস্তানৰ নদিৰবেক আব্দুছাত্তৰোভক ১ দশমিক ৫ আৰু শূন্য দশমিক পাঁচ পইণ্টত পৰাজিত কৰে। এই জয়ৰ সুবাদত অৰ্জুন চেম্পিয়নশ্বিপৰ খিতাপ দখলৰ নিচেই কাষ চাপিছে।

০০০০০০০০০

ভাৰতৰ সুজিত কলকলে হাংগেৰীৰ বুডাপেষ্টত অনুষ্ঠিত পোলাক ইম্রে আৰু ৰৰ্গা জানোছ্ স্মাৰক মল্লযুদ্ধ প্ৰতিযোগিতাৰ পুৰুষৰ ৬৫ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰিছে। সুজিতে কালি ফাইনেলত চাৰিবাৰকৈ ইউৰোপীয় পদক বিজেতা আজাৰবাইজানৰ আলী ৰহিমজাদেক ৫-১ পইণ্টত পৰাস্ত কৰে। ইয়াৰ লগে লগে সুজিত চলিত বৰ্ষত ৰেংকিং শৃংখলাৰ কোনো প্ৰতিযোগিতাত সোণৰ পদক অৰ্জন কৰা দেশৰ প্ৰথমগৰাকী খেলুৱৈৰূপে পৰিগণিত হয়। ইপিনে, ভাৰতৰ আন এগৰাকী খেলুৱৈ ৰাহুলে পুৰুষৰ ফ্ৰী ষ্টাইল শিতানৰ ৫৭ কিলোগ্ৰাম ওজন শাখাত জাৰ্মানীৰ নিক্লাছ্ ষ্টেচিঅ'ক ৪-০ পইণ্টত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০০০০০

***সমাপ্ত***